
# পাঠ - ৬
# উদ্ভিদ আৰু পৰিৱেশ

উদ্ভিদ বুলিলে সাধাৰণতে আমাৰ সেউজীয়া ৰংটো চকুত ভাহি উঠে। ইয়াৰ কাৰণ হ'ল সাধাৰণতে সেউজীয়া উদ্ভিদ এজোপা অসংখ্য পাতেৰে ভৰি থাকে। পাতবোৰ সেউজীয়া হোৱাৰ বাবে উদ্ভিদৰ কি সুবিধা হৈছে তাৰ বিষয়ে অলপ আলোচনা কৰোঁ আহা।

উদ্ভিদৰ পাতবোৰ সেউজীয়া হোৱাৰ বাবে নিজৰ আহাৰ নিজেই তৈয়াৰ কৰি ল'ব পাৰে। উদ্ভিদৰ পাতবোৰ সেউজীয়া হোৱাৰ কাৰণ কি?

**পাতত হৰিৎকণা বা পত্ৰহৰিৎ থকা বাবে পাতবোৰ সেউজীয়া বৰণৰ হয়।**

তলৰ ছবিখনলৈ মন কৰা-





- ওপৰৰ ছবিখন চাই পাতে আহাৰ তৈয়াৰ কৰিবলৈ কি কি ব্যৱহাৰ কৰিছে বহীত লিখা।

**পাতে কেনেকৈ আহাৰ তৈয়াৰ কৰে জানি লওঁ আহা-**

শিপাই মাটিৰ পৰা পানী আৰু পানীত পমি থকা খনিজ লৱণ শুহি লয়। সূৰ্যৰ পোহৰত সেউজীয়া পাতে এই পানী আৰু বায়ুৰ পৰা আহৰণ কৰা এবিধ গেছৰ সহায়ত আহাৰ তৈয়াৰ কৰে। আহাৰ তৈয়াৰ কৰোঁতে পাতে বায়ুৰ পৰা কাৰ্বন-ডাই অক্সাইড গেছ গ্ৰহণ কৰে। বিনিময়ত অক্সিজেন গেছ এৰি দিয়ে।

➢ পাতে এৰি দিয়া অক্সিজেন গেছখিনি বাৰু কলৈ গ'ল ?

তলৰ ছবিখনলৈ মন কৰা-




পাতে এৰি দিয়া এই অক্সিজেন গেছ প্ৰাণীবোৰে উশাহত লৈ জীয়াই থাকে। নিশাহত প্ৰাণীয়ে এৰি দিয়া কাৰ্বন-ডাই অক্সাইড গেছখিনি উদ্ভিদে আহাৰ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰে। ইয়াৰ ফলত বায়ুমণ্ডলত অক্সিজেন গেছ আৰু কাৰ্বন-ডাই অক্সাইড গেছৰ পৰিমাণ একেই থাকে।

**উদ্ভিদে বায়ুমণ্ডলৰ অক্সিজেন গেছ আৰু কাৰ্বন-ডাই অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা কৰে।**

**জানি লওঁ আহা-**

- সকলো জীৱ জীয়াই থাকিবলৈ আৰু ডাঙৰ-দীঘল হ'বলৈ আহাৰৰ প্ৰয়োজন। যিহেতু 'উদ্ভিদো' জীৱ সেয়েহে উদ্ভিদকো আহাৰৰ প্ৰয়োজন। উদ্ভিদে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব পাৰে।
- উদ্ভিদে আহাৰ তৈয়াৰ কৰা কাৰ্য আৰু প্ৰাণীয়ে উশাহ-নিশাহ লোৱা কাৰ্যত 'উদ্ভিদ' আৰু 'প্ৰাণী' পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।
- উদ্ভিদে বায়ুমণ্ডলত অক্সিজেন গেছ আৰু কাৰ্বন-ডাই অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা কৰে। সেয়েহে গছ কটাৰ সলনি বেছিকৈ গছ-গছনি ৰুবহে লাগে।

➢ খালী ঠাইত গেছবোৰৰ নাম লিখা-

(ক) উদ্ভিদে আহাৰ প্ৰস্তুত কৰিবলৈ ________ গেছ ব্যৱহাৰ কৰে।

(খ) উদ্ভিদে খাদ্য প্ৰস্তুত কৰোঁতে ________ গেছ এৰি দিয়ে।

(গ) প্ৰাণীয়ে উশাহত ________ গেছ গ্ৰহণ কৰে।

(ঘ) প্ৰাণীয়ে নিশাহত ________ গেছ এৰি দিয়ে।

**দলত আলোচনা কৰি লিখা-**

গছ নাথাকিলে বায়ুমণ্ডলত কোনটো গেছ বৃদ্ধি পাব আৰু ইয়াৰ ফলাফল কি হ'ব?

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) উদ্ভিদে আহাৰ তৈয়াৰ কৰিবলৈ পানী ক'ৰ পৰা পায়?

(খ) উদ্ভিদৰ কোন অংশই মাটিৰ পৰা পানী শুহি লয়?

(গ) উদ্ভিদৰ পাতৰ কাম কি?

(ঘ) কি কি কাৰ্যত প্ৰাণী আৰু উদ্ভিদ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল?

(ঙ) গছে মাটিৰ পৰা পানীৰ লগতে আৰু কি শুহি লয়?

(চ) উদ্ভিদে কেনেকৈ পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰে?

২। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) উদ্ভিদে নিজে নিজৰ আহাৰ তৈয়াৰ কৰিব নোৱাৰে।

(খ) জধে-মধে গছ কটা অনুচিত।

(গ) উদ্ভিদে বায়ুমণ্ডলৰ অক্সিজেন আৰু কাৰ্বন-ডাই-অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা নকৰে।

৩। খালী ঠাই পূৰ কৰা-

(ক) __________ পোহৰত পাতে আহাৰ তৈয়াৰ কৰে।

(খ) পাতত হৰিৎকণা থকাৰ বাবে এইবোৰ __________ বৰণৰ হয়।

(গ) উদ্ভিদক জীয়াই থাকিবলৈ আৰু ডাঙৰ-দীঘল হ'বলৈ __________ লাগে।

(ঘ) পাতে এৰি দিয়া __________ গেছ প্ৰাণীবোৰে উশাহত লয়।

(ঙ) বেছিকৈ __________ ৰুব লাগে।

৪। উদ্ভিদে আহাৰ কেনেকৈ তৈয়াৰ কৰে?

৫। এখিলা পাতৰ ছবি আঁকি ৰং বোলোৱা।